**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্মক সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

৩। লাডাখৰ ছিয়ক নদীত টেংক ডুবি ৫জন সেনা জোৱানৰ মৃত্যু হৈছে।

৪। ভাৰতৰ মালবিকা বেনছ'ডে টেক্সাছত চলি থকা ইউ এছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্মক সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰিব। শ্ৰীনাইডুৰ ৭৫ বছৰীয়া জন্মদিনৰ লগত সংগতি ৰাখি গ্ৰন্থ তিনিখন উন্মোচন কৰিবলৈ লোৱা হৈছে। হায়দৰাবাদৰ গাছিবউলিৰ অন্বয়া প্ৰেক্ষাগৃহত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ জন্ম দিন উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে উন্মোচন কৰিবলগীয়া গ্ৰন্থকেইখন হৈছে— আগশাৰীৰ কাকত দি হিন্দুৰ হায়দৰাবাদ সংস্কৰণৰ প্ৰাক্তন আৱাসিক সম্পাদক এছ্ নাগেশ কুমাৰৰ **"VENKAIAH NAIDU - LIFE IN SERVICE",** উপ-ৰাষ্ট্ৰপতিৰ প্ৰাক্তন সচিব ড০ আই ভি চুববা ৰাওৰ **CELEBRATING BHARAT - THE MISSION AND MESSAGE OF SHRI M VENKAIAH NAIDU AS 13TH VICE-PRESIDENT OF INDIA** আৰু সঞ্জয় কিশোৰৰ **"MAHANETA - LIFE AND JOURNEY OF SHRI M. VENKAIAH NAIDU"**।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয়

আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০০

নাগালেণ্ডত নগৰীয়া স্থানীয় নিকায়ৰ নিৰ্বাচনৰ ভোট গণনা চলি আছে। ৰাজ্যৰ তিনিখন পৌৰসভা আৰু ২১ খন নগৰ পৰিষদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। পুৱা ৮ বজাৰ পৰা কটকটীয়া নিৰাপত্তাৰ মাজত ৰাজ্যখনৰ ১০ খন জিলাৰ ১৬টা গণনা কক্ষ আৰু ১২৫ খন গণনা টেবুলত পূৰ্ণ গতিত ভোট গণনা চলি আছে। এই নগৰীয়া স্থানীয় নিকায়সমূহত ২৬ জুনত ভোটগ্ৰহণ কৰা হৈছিল।

এই নিৰ্বাচনত ২১৩টা ৱাৰ্ডত ১১টা ৰাজনৈতিক দলৰ মুঠ ৫২৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰে ৩২৫ জন পুৰুষ আৰু ১৯৮ গৰাকী মহিলা প্ৰাৰ্থী। ইতিমধ্যে ৬৪ গৰাকী প্ৰাৰ্থীক বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে। ভোটগণনাৰ পৰিপ্ৰেক্ষিতত আজি পুৱা ৬ বজাৰ পৰা ২৪ ঘণ্টাৰ বাবে ডিমাপুৰ, ছুমুকেডিমা আৰু নিউলেণ্ড জিলাত ১৪৪ ধাৰা জাৰি কৰা হৈছে।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে যে, দিল্লী আৰু উত্তৰ প্ৰদেশৰ পূব-পশ্চিম অংশৰ লগতে ৰাজস্থান, হাৰিয়ানা, মধ্যপ্ৰদেশ, চত্তিশগড়, পশ্চিমবংগ, ঝাৰখণ্ড, বিহাৰ আৰু উত্তৰাখণ্ডৰ কেতবোৰ অংশত দক্ষিণ-পশ্চিম মৌচুমী আগতীয়াকৈ প্ৰৱেশ কৰিছে। বিভাগে জনোৱা অনুসৰি ইয়াৰ প্ৰভাবত আজি হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, হাৰিয়ানা, চণ্ডিগড়, দিল্লী, উত্তৰ প্ৰদেশ, পূব ৰাজস্থান, মধ্যপ্ৰদেশ, ওড়িশা, কংকন, গোৱা আৰু মধ্য মহাৰাষ্ট্ৰত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ছত্তিশগড়, গুজৰাট, কৰ্ণাটকৰ উপকূল অঞ্চল, পশ্চিম বংগৰ হিমালয় অঞ্চল, ছিকিম আৰু অৰুণাচল প্ৰদেশতো প্ৰবল বৰষুণ হ'ব বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০০০০০

লাডাখৰ দাউলট বেইগ ওল্ডি অঞ্চলত মন্দিৰ মাৰ্গ প্ৰকৃত নিয়ন্ত্ৰত ৰেখাৰ কাষত এখন টি-৭২ টেংক পানীত ডুবি পাঁচজন সেনা জোৱানে প্ৰাণ হেৰুৱাইছে। যোৱা নিশা টি-৭২ টেংকখন ছিয়ক নদী পাৰ হোৱা সময়ত দুৰ্ঘটনাটো সংঘটিত হয়। লেহৰ ভাৰতীয় সেনাবাহিনীৰ মুখপাত্ৰই এটা বিবৃতিত প্ৰকাশ কৰা মতে ২৮ জুনৰ নিশা পূব লাডাখৰ চাছেৰ ব্ৰাংছাৰ কাষৰ ছিয়ক নদীৰ হঠাতে জলপৃষ্ঠ বৃদ্ধি হোৱাত টেংকখন বন্দী হৈ পৰে।

উদ্ধাৰ বাহিনী ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয় যদিও নদীৰ জলপৃষ্ঠ আৰু প্ৰচণ্ড সোতৰ বাবে উদ্ধাৰ কাৰ্যত সফল হ'ব নোৱাৰিলে আৰু টেংকখনৰ সেনা জোৱান কেইজনে প্ৰাণ হেৰুৱায়। ভাৰতীয় সেনা বাহিনীয়ে পূব লাডাখত নিয়োজিত হৈ থকা পাঁচজন সেনা জোৱানৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে লাডাখৰ ছিয়ক নদীত টেংক ডুবি মৃত্যু হোৱা পাঁচজন সেনা জোৱানৰ দুৰ্ভাগ্যজনক দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। চ'ছিয়েল মিডিয়াৰ এটা পোষ্টাত শ্ৰী সিঙে কয় যে, দেশৰ প্ৰতি বীৰ সৈনিকসকলৰ দৃষ্টান্তমূলক সেৱা দেশবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰিব। তেওঁ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবাবেদনা জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, এই দুখৰ সময়ত ৰাষ্ট্ৰ তেওঁলোকৰ সৈতে ঠিয় দিয়ে।

০০০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ 97166-80969 আৰু 96196-86659 নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন কাইলৈ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

০০০০০০০০০

ভাৰতৰ দিয়া পৰাগ ছিতালে আৰু যশস্বিনী ঘোৰপাড়ে টিউনিচিয়াত চলি থকা বিশ্ব টেবল টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছ শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে আজি সন্ধিয়া দক্ষিণ কোৰিয়াৰ য় ছিঅ' আৰু কীম ছিঅ'নজিনৰ বিৰুদ্ধে ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। কোৱাৰ্টাৰ ফাইনেলত তেওঁলোকে ভাৰতৰে শ্ৰীজা আকুলা আৰু আইকিহা মুখাৰ্জীক পৰাস্ত কৰিছিল।

০০০০০০০০০

ভাৰতৰ মালবিকা বেনছ'ডে টেক্সাছত চলি থকা ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। তেওঁ কোৱাৰ্টাৰ ফাইনেলত স্কটলেণ্ডৰ কিৰষ্টি গীলমোৰক ১০-২১, ২১-১৫, ২১-১০ গেমত পৰাজিত কৰে। ভাৰতীয় খেলুৱৈগৰাকীয়ে আজি নিশা জাপানৰ নাটছুকি নিডাইৰাৰ বিৰুদ্ধে ছেমিফাইনেল খেলিব।

ইপিনে, প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত ভাৰতৰ প্ৰিয়াংশু ৰাজাৱাট চীনৰ লী লানঝিৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত ২১-১৫, ১১-২১, ১৮-২১ গেমত পৰাজিত হয়।

মহিলাৰ ডাবলছ শাখাত ভাৰতীয় যুটী ট্ৰেছা জলী আৰু গায়ত্ৰী গোপিছান্দ জাপানৰ ৰুই হিৰোকামি আৰু য়ুনা কাটোৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত ১৭-২১, ২১-১৭, ১৯-২১ গেমত পৰাভূত হয়।

০০০০০০০০০

তামিলনাডুৰ ভিৰধুনগৰৰ চাটুৰৰ এটা আটচবাজী কাৰখানাত হোৱা বিস্ফোৰণত ৪জন ব্যক্তি নিহত হৈছে। কাৰখানাটোত ৫০ জন শ্ৰমিক আটচবাজী প্ৰস্তুতৰ কামত নিয়োজিত হৈ আছিল। জানিব পৰা মতে আটচবাজী প্ৰস্তুতৰ বাবে বিভিন্ন ৰাসায়নিক দ্ৰব্য সংমিশ্ৰণৰ সময়তে এই বিস্ফোৰণটো সংঘটিত হয়। কাৰখানাটোৰ মুঠ কোঠাৰ ৩টা কোঠা বিস্ফোৰণৰ ফলত সম্পূৰ্ণৰূপে ধ্বংসস্তূপত পৰিণত হয়। ধ্বংসস্তূপৰ মাজত আৰু শ্ৰমিক আবদ্ধ হৈ থকাৰ কথা এতিয়ালৈকে জানিব পৰা হোৱা নাই। কাৰখানাটোৰ অগ্নি নিৰ্বাপনৰ বাবে চেষ্টা চলি আছে। সম্পূৰ্ণৰূপে অগ্নি নিৰ্বাপন হোৱাৰ পিছত পুনৰউদ্ধাৰ কাৰ্য আৰম্ভ হ'ব বুলি প্ৰশাসনে জানিবলৈ দিছে।

০০০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চেন্নাইত অনুষ্ঠিত একমাত্ৰ টেষ্টখনৰ আজি দ্বিতীয় দিনা ৬ উইকেটৰ বিনিময়ত ৬০৩ ৰান সংগ্ৰহ কৰি ইনিংছ ঘোষণা কৰে। বাতৰি যুগুতোৱা পৰলৈকে দক্ষিণ আফ্ৰিকাই ৭৬ ৰানত এটা উইকেট হেৰুৱাই খেলি আছে।

ভাৰতে কালি প্ৰথম দিনা টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ সুন্দৰ প্ৰদৰ্শন কৰে। শ্বেফালি বাৰ্মা আৰু স্মৃতি মান্ধানাই প্ৰথম উইকেটৰ যুটীত ২৯২ ৰান কৰি মহিলা টেষ্ট ক্ৰিকেটৰ ইতিহাসত সৰ্বাধিক ৰানৰ অভিলেখ গঢ়ে। শ্বেফালি বাৰ্মাই ১৯৭টা বলত ২০৫ ৰান কৰি মহিলা টেষ্ট ক্ৰিকেটত দ্ৰুত দ্বিশতক অৰ্জন কৰে। আনহাতে মান্ধানাই ১৬১টা বলত ১৪৯ ৰান কৰে। ভাৰতীয় মহিলা দলটোৱে একেটা দিনত ৫২৫ ৰান সংগ্ৰহ কৰি মহিলা টেষ্ট ক্ৰিকেটৰ ইতিহাসত ৮৯ বছৰৰ পুৰণি অভিলেখ ভংগ কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে ১৯৩৫ চনত ক্ৰাইষ্টচাৰ্চত নিউজিলেণ্ডৰ বিৰুদ্ধে এদিনতে দুটা উইকেট হেৰুৱাই ৪৩১ ৰান কৰিছিল।

০০০০০০০০০

ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় দলটোৱে ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।আনহাতে দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত আফগানিস্তানক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকা এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ এইখন অন্তিমখন খেল হ'ব।

০০০০০০০০০

**সমাপ্ত**